জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২১৯/২০২১**

### পবিত্ৰ ভাদ মাহ উপলক্ষে মুখ্যমন্ত্ৰীয়ে দৰ্শন কৰিলে গোলাঘাট জিলাৰ ইতিহাস প্ৰসিদ্ধ আঠখেলীয়া নামঘৰ

### আঠখেলীয়া নামঘৰৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন মুখ্যমন্ত্ৰীৰ দ্বাৰা উদ্বোধন

## আঠখেলীয়া নামঘৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫ কোটি টকা অনুদানৰ ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ আগষ্ট ঃ** পবিত্ৰ ভাদ মাহ উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ ইতিহাস প্ৰসিদ্ধ আঠখেলীয়া নামঘৰত উপস্থিত হৈ বন্তি প্ৰজ্বলন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ জনসাধাৰণৰ কুশল-মংগল কামনাৰে আঠখেলীয়া নামঘৰত সেৱা আগবঢ়ায়। নামঘৰ দৰ্শনৰ সময়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই আঠখেলীয়া নামঘৰৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। কাৰ্যালয় ভৱন উদ্বোধন কৰি ইয়াত উপস্থিত ভকত বৈষ্ণৱক উদ্দেশ্যি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গোলাঘাট জিলাৰ ইতিহাস প্ৰসিদ্ধ আঠখেলীয়া নামঘৰে অতীজৰে পৰা বৃহত্তৰ সমাজখনত আধ্যাত্মিক চেতনাৰ উন্মেষ সাধনেৰে জনসাধাৰণৰ মাজত শান্তি-সম্প্ৰতি আৰু ভাতৃত্ববোধ বজাই ৰখাৰ দিশত উল্লেখযোগ্য অৰিহণা আগবঢ়াই আহিছে। গুৰু দুজনাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক যাত্ৰাৰে জনসাধাৰণক অগ্ৰসৰ হোৱাৰ দিশতো এই পবিত্ৰ নামঘৰে বিশেষ বৰঙণি যোগাই আহিছে। ভৱিষ্যতৰ সময়তো এই ঐতিহাসিক নামঘৰে আমাৰ সমাজ ব্যৱস্থাক আধ্যাত্মিক চেতনাৰে প্ৰাণৱন্ত কৰি অধিক গতিশীল কৰাৰ দিশত অৰিহণা যোগাই যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আঠখেলীয়া নামঘৰৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকা আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে।

মুখ্যমন্ত্ৰীয়ে ঐতিহাসিক আঠখেলীয়া নামঘৰ দৰ্শনৰ সময়ত বিত্তমন্ত্ৰী অজন্তা নেওগ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰ বৰুৱাৰ লগতে বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু ভকত বৈষ্ণৱ উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই গোলাঘাটৰ বৰুৱাগাঁওস্থিত প্ৰাক্তন মন্ত্ৰী প্ৰয়াত নগেন নেওগৰ স্মৃতিত নিৰ্মিত কৰ্মশ্ৰী নগেন নেওগ স্মৃতি ভৱন প্ৰাক্তন মন্ত্ৰীগৰাকীৰ পত্নী তথা ৰাজ্য চৰকাৰৰ বৰ্তমানৰ বিত্তমন্ত্ৰী অজন্তা নেওগৰ সৈতে পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মন্ত্ৰী তথা প্ৰাক্তন নেতা নগেন নেওগৰ স্মৃতি আৰু তেখেতে বৃহত্তৰ সমাজলৈ আগবঢ়োৱা অৰিহণাৰ স্মৃতি ৰোমন্থন কৰে।

**সুঃদঃ**
**১৮/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in